# ব'হাগ বিহুৰ অনুভৱ

বিনন্দীয়া পৃথিৱীত চ'তে গৈয়ে গৈয়ে ব'হাগ পোৱাৰ উপক্ৰম হ'লে অসমীয়া জাতিৰ উলহ-মালহ আৰু আনন্দই নধৰা হয়। প্ৰকৃতিৰ গছ-বিৰিখ ন সাজ পিন্ধি সাজি-কাঁচি লয়লাস ৰূপ ধৰে। ন পাতৰ আঁৰে আঁৰে নানা ৰঙী চৰাই চিৰিকতি কিৰীলি ধৰে। অনবদ্য ৰূপত কুলি-কেতেকীয়ে সুৰ তোলে। অসমীয়াৰ আপুৰুগীয়া সম্পদ কপৌ ফুলে প্ৰকৃতিদেৱীৰ সৌন্দৰ্য বৰ্দ্ধনত সোণত সুৱগা চৰায়। পেপাঁৰ টিহিটি-টিহিটি, ঢোলৰ চেও আৰু গগনাৰ মন পৰশা সুৰে অসমীয়াৰ গা সাতখন আঠখন কৰে। কৃষিজীৱি অসমীয়াই সপোন দেখে এক নদন বদন শস্য শ্যামলা ভৰপূৰ শৃংখলাবদ্ধ সংসাৰৰ। সহজ-সৰল খেতিয়কে কৃষি সাৰথি গোধনক দীঘলতি মাখিয়তীৰে প্ৰাকৃতিক যতনেৰে ভৰাই তোলে এক ভৱিষ্য অভিলাষ। হুঁচৰি আৰু বিহু নামেৰে খেতিয়কসকলৰ পৰস্পৰ কুশল কামনাৰে আকাশ বতাহ ৰজন-জনাই তোলে। ডাঙৰক শ্ৰদ্ধা, সৰুক স্নেহ আৰু পৰস্পৰৰ আদৰ আহ্লাদৰ মাজেৰে জাতীয় আবেগ বিজড়িত মূল্যবোধেৰে অসমীয়াই যেন পণ লয় নতুন বছৰত পথাৰ সোণোৱালী কৰাৰ। এই মহা উৎসৱতে প্ৰাণ খুলি অসমীয়া ডেকা-গাভৰুৱে বোৱাই দিয়ে শ্বাশ্বত প্ৰেম ভালপোৱাৰ বন্যা। এয়াই ব'হাগ বিহু। ভুপেন হাজৰিকাৰ কণ্ঠত ই অসমীয়া জাতিৰ আয়ুস ৰেখা, গণজীৱনৰ সাহ। বিভিন্ন জাতি, উপজাতি, সম্প্ৰদায়ৰ মিশ্ৰিত সংস্কৃতিত গঢ়লৈ উঠা অসমীয়া সংস্কৃতিৰ বিহু এক অন্যতম পৰম্পৰা। এই উৎসৱৰ সন্ধিক্ষণতে অসমীয়া বোঁৱনীয়ে তাঁতশালৰ খিতখিতনি আৰু মাকোৰ ঘিতঘিতনিৰে প্ৰিয়জনৰ বাবে গামোছাত ফুল বাচি অনন্য কৰ্ম সংস্কৃতিৰ নিদৰ্শন দাঙি ধৰি মহীয়ান হৈ পৰে।

মানুহৰ বুদ্ধিমত্তাৰ প্ৰৰোচনা আৰু সমাজ ব্যৱস্থা পৰিৱৰ্তনৰ পৰিক্ৰমাত এইবোৰ সাঙোৰ খাই আছে। একনায়কত্ববাদ, ঔপনিবেশিক শাসনৰ উত্তৰ কালত পুনৰ জাগৰণ আবেগেৰে সমৃদ্ধ সাম্প্ৰতিক জীৱনধাৰা যেন প্ৰকৃতিক ভেঙুচালি কৰিব বিচাৰিছে। আজীৱন প্ৰকৃতিৰ সতে একাত্ম আৱেগ জৰিত অসমীয়া সমাজত একতা সংহতিৰ হীন-ডেঢ়িয়ে নানান অপায় অসূয়াৰ জন্ম দিব ধৰিছে। সস্তীয়া ভোগবাদী সভ্যতাই সেউজ সজীৱ খেতিপথাৰক বন্ধ্যা আৰু বনাঞ্চলৰ ৰম্যভূমিক নাঙঠ কৰিব ধৰিছে। সংস্কৃতিবান অসমীয়াই প্ৰাকৃতিক উৎসৱৰ এই সন্ধিক্ষণত সততে সোঁৱৰাই দিয়ে মানুহ আৰু প্ৰকৃতিৰ সহাৱস্থানৰ কথা। হোজা গাঁৱলীয়া খেতিয়কৰ সংস্কৃতি যে কিমান প্ৰকৃতিবাদী তাৰ জানো এয়া ফটফটীয়া নিদৰ্শন নহয় ?

পৰিৱৰ্তিত পৰিস্থিতিয়ে এই জাতীয় উৎসৱক সজ্জিত মঞ্চ ক্ষেত্ৰলৈ তুলি আনিছে। বিশ্বায়নৰ ধামখুমীয়াই ব'হাগ বিহুৰ নানা গ্ৰহণ বৰ্জনৰ সমস্যাৰ উদ্ভৱ কৰিছে। নানা পৰিৱৰ্তন আৰু পৰিৱৰ্ধন অপৰিহাৰ্য হৈ পৰিছে যদিও জাতিৰ মৌলিক চৰিত্ৰ তাৰ মাজত সদায় অক্ষুন্ন থাকিব। এনে পৰিক্ৰমাত বিহু মঞ্চখন সম্প্ৰতি সকলো জাতি, গোষ্ঠীৰ মহা মিলনভূমিলৈ পৰ্যাবসিত হৈছে। সাম্প্ৰতিক মঞ্চ বিহু, কেছেট বিহু, অডিও-ভিডিও-বিহু, বিহু -ধামাকা ইত্যাদিৰ ৰহণে বিহুক প'প সংস্কৰণত পেলাব খুজিছে আৰু ই জনপ্ৰিয় প'প ছং বা প'প মিউজিকৰ ফালে প্ৰসাৰিত হৈ ভৌগলিক পৰিসীমা ভেদ কৰিব ওলাইছে। কৃষিজীৱি, শ্ৰমজীৱি, গ্ৰামীণ স্তৰৰ পৰা অৱধাৰিতভাৱে ঔদ্যোগিক, বাণিজ্যিক আৰু ৰাজনৈতিক পৃষ্ঠপোষকতাৰ আওতাত সোমাই পৰিছে। এনে পৰিৱৰ্তন জীৱন ব্যৱস্থাৰ সকলো স্তৰতে পৰিলক্ষিত হৈছে। সেয়ে নৃত্য, গীত, বেশভূষা, খাদ্য আদি সকলোতে এনে পৰিৱৰ্তন দৃশ্যমান যদিও মৌলিকতাত ঘুনে নধৰাকৈ অসমীয়াৰ অতি আপোনৰো আপোন চিকুনৰো চিকুন বাপতি সাহোন বিহুক পৰিৱৰ্তন, পৰিবৰ্ধন আৰু পৰিসংবৰ্ধনৰ মাজেৰে জীয়াই ৰাখত ব্ৰতী থাকিলেহে আমি নিজক পাহৰি নাযাম, বিশ্বত আমাৰ মান থাকিব আৰু গৌৰৱ কৰাৰ থল থাকিব।

এনে প্ৰেক্ষাপটত প্ৰৱাহমান সংস্কৃতিৰ সন্মুখত অৱশ্যেই এটি বিৰাট

প্ৰশ্নবোধক চিনে সততে সকলো সচেষ্ট চিন্তাশীল ব্যক্তিক ভবাই তুলিছে। পৰিৱৰ্তন, পৰিৱৰ্ধন, পৰিসংবৰ্ধনৰ যোগেৰে ইয়াৰ প্ৰকৃত মূল্যায়নৰ অতীৱ প্ৰয়োজন। বিহুৰ প্ৰেক্ষাপট, ঐতিসাহিক ভিত্তি, ইয়াৰ ধাৰাবাহিকতা পৰ্যালোচনা কৰিলে ইয়াৰ বিজ্ঞান সন্মত ভিত্তি বিচাৰি পোৱা যায়। যিদিনা মানুহে সমাজ পাতি জীয়াই থকাৰ বাবে প্ৰকৃতিৰ সতে সংগ্ৰাম কৰিব লগা হৈছিল সিদিনাই সমাজভূক্ত মানুহৰ সংস্কৃতিৰ স্বৰূপো প্ৰৱাহমান হ'ব ধৰিছিল। তেতিয়া মানুহ ক্ৰমে বন্য প্ৰকৃতি পৰিহাৰ কৰি আদিম সৰল উপকৰণেৰে (Productive Force) গঢ়ি তুলিছিল উৎপাদন সম্পৰ্ক (Production Relation)আৰু ঠন ধৰিছিল গোষ্ঠীহীন সমাজ। কিন্তু উৎপাদন পদ্ধতিৰ পৰিৱৰ্তনৰ ধাৰাবাহিকতাত সমাজত শ্ৰেণী আৰু শ্ৰেণী সংঘাতৰ অধ্যায় আৰম্ভ হয়। পৰিণতিত মানৱ সমাজত শাসক, শাসিত, শোষক আৰু শোষিত শ্ৰেণীসমূহৰ ইতিহাস আৰম্ভ হয় আৰু শ্ৰেণী সংঘাতো তীব্ৰতৰ হৈ উঠে। এনে শ্ৰেণী সংঘাত সদায় শ্ৰেণী স্বাৰ্থ কেন্দ্ৰীক আৰু ইবোৰ কেতিয়াবা ধৰ্মীয়, জাতীয় আৰু কেতিয়াবা বৰ্ণ সংঘাতলৈ পৰ্য্যৱসিত হয়। এইবোৰ সংঘাতৰ মূল স্বৰূপ কিন্তু একেটাই শ্ৰেণী সংঘাত। কালক্ৰমত এনেবোৰ সংঘাত মুষিমূৰ কৰাত ধৰ্মৰো উৰ্দ্ধত থাকি এচাম মানৱ ধৰ্মৰ প্ৰৱক্তা আৰু মানৱীয় প্ৰমূল্যৰ অগ্ৰদূতে সমাজৰ একতা, সংহতিৰ জয় গানেৰে সমাজত প্ৰভাৱ পেলাব ধৰে। এইসকল সাধকে সমাজত সমন্বয় গঢ়িব খোজে ভাষাৰ সৈতে ভাষাৰ, কলাৰ সৈতে কলাৰ, ভাৱৰ সৈতে ভাৱৰ আৰু সংস্কৃতিৰ সৈতে সংস্কৃতিৰ। "শ্ৰেণীহীন গোষ্ঠী সমাজৰ সংহত সামগ্ৰিক জীৱনত ফচল উৎপাদন মানৱ প্ৰজন্মৰ ঐন্দ্ৰজালিক অনুকৃতিৰ পৰা যি fertility Cult ৰ জন্ম, তাৰ পৰাই বিহুৰ উৎপত্তি। পৃথিৱীৰ আদিম সংস্কৃতিৰ নৃত্য-গীতৰ এয়াই আছিল আদি উৎস" (উপেন দত্ত) । সেয়ে এই সকলে বিহুৰ বিজ্ঞানসন্মত উৎস বিচাৰি পায় যি আমাৰ সমাজ ব্যৱস্থাৰ পৰা সদায় অভিন্ন।

•••

# এক অখ্যাত প্ৰাকৃতিক জলাশয়

প্ৰাকৃতিক সম্পদৰ সৎব্যৱহাৰ, প্ৰাকৃতিক পৰিৱেশ সংৰক্ষণ, বন্যপ্ৰাণী সংৰক্ষণ আৰু সিহঁতৰ বাসোপযোগী স্থানৰ বিকাশ সাধন সম্প্ৰতি সমাজ তথা চৰকাৰৰ এক গুৰুত্বপূৰ্ণ কাৰ্য বুলি অভিহিত কৰা হয়। সেয়ে দীপৰ বিলৰ সৌন্দৰ্য্য অক্ষুণ্ণ ৰাখিবলৈ আধুনিক অৰ্থব্যৱস্থাৰ ঘাই শিৰা ৰেল পথ নিৰ্মাণ পৰ্যন্ত বাধা দিবলৈ প্ৰয়াস কৰোঁ তথা উৰ্পদ বিলক উৎকৃষ্ট মীন মহল কৰিবলৈ বিশ্ব বেংকৰ সহায় বিচাৰোঁ। তেনে ক্ষেত্ৰত সম্ভাৱনীয়তা সম্পন্ন কিছু বৃহৎ জলাশয়ৰ কথা চিন্তা কৰিবলৈ কাৰোৰেই যেন অৱকাশ নাই। এনে এটি জলাশয় হ'ল "নাইতাৰা চৌতাৰা বিল"।

গোৱালপাৰা জিলাৰ পূব প্ৰান্তত ৩৭ নং ৰাষ্ট্ৰীয় ঘাইপথৰ ধনুভাঙাৰ পৰা ৮ কিঃমিঃ উত্তৰে অখ্যাত আৰু অৱহেলিত হৈ আছে এক বৃহৎ প্ৰাকৃতিক জলাশয়। এই জলাশয়ৰেই নাম নায়তাৰা চৌতাৰা বিল। শৈশৱত লেখকে ভূগোলৰ টোকাত অন্যান্য বিলৰ লগতে এই বিলৰো নাম আৰু স্থান মুখস্থ কৰিছিল। প্ৰবাদ আছে কোচ ৰাজত্বৰ লস্কৰৰ এটা ঘাটি এই বিলৰ পাৰতে আছিল। লস্কৰৰ এই অংশটো দুটা বৃহৎ খাৱৈৰ দ্বাৰা নিৰাপদে ৰখা হৈছিল। এই গড়খাৱৈ দুটাৰ অৱশিষ্ট এতিয়াও দেখিবলৈ পোৱা যায়। এই খাৱৈ দুটা ওচৰৰ গণেশ পাহাৰৰ পৰা নাইতাৰা চৌতাৰা বিলৰ দক্ষিণ পাৰলৈ বিস্তৃত। এতিয়া কৃষকৰ কোদালৰ আঘাতত এই খাৱৈ দুটা প্ৰায় লুপ্ত প্ৰায়। সম্প্ৰতি বৃহৎ প্ৰাকৃতিক জলাশয় নাইতাৰা চৌতাৰা বিলৰ বিপৰ্যয়ৰ সীমা নাই।

খৰালি কালতেই এই বিলত প্ৰায় ৩-৪ বৰ্গ কিঃমিঃ জুৰি পানী থাকে।

বাৰিষা ইয়াৰ পূব আৰু পশ্চিম প্ৰান্তত থকা দ' পথাৰ পানীৰে উপচি পৰে আৰু ইয়াৰ আকাৰ কেইবাগুণো বাঢ়ি যায়। এই বিললৈ কৰনৈ আৰু জুৰিয়া বুলি দুটা সৰু নিজৰা মেঘালয়ৰ পৰা ক্ৰমে ৰংজুলি আৰু ধনুভাঙাৰ ওচৰেৰে আন্তঃ প্ৰবাহিত হৈ আছে। উল্লেখনীয় যে এই নিজৰা দুটিৰ সোঁত খৰালি কালত যথেষ্ট কম। কৰনৈ বুলি অন্তঃপ্ৰবাহিত নিজৰাটো পুনৰ উক্ত বিলৰ উত্তৰ পূব কোণেৰে কামৰূপৰ নগৰবেৰালৈ বহিঃপ্ৰবাহিত হৈ ব্ৰহ্মপুত্ৰৰ সূতিত পৰিছে। এই বিলৰ চাৰিসীমা এনে ধৰণৰ— উত্তৰে কামৰূপ জিলাৰ খামেৰী, নাইতাৰ আৰু কল্যাণপুৰ গাঁও, দক্ষিণে গৰুছটকা গাঁও, পূবে বৃহৎ দ' খেতি পথাৰ আৰু নাতিদূৰত জামলাই গাঁও আৰু শালপোতা, চলা পথাৰ বিল আৰু দেওঁশীলা নদী, পশ্চিমে টিপলাই গাঁও। বিলৰ চাৰিওফালে থকা গাঁওবোৰ নানা জাতি-উপজাতিৰ বাসস্থান। উল্লেখনীয় যে এই গাঁওবোৰ প্ৰায় ৪০ শতাংশ অনুসূচিত জাতিৰ লোকৰ বাসস্থান। বাকী জনসংখাৰ প্ৰায় ২০ শতাংশ আৰু অনুসূচিত জাতিৰ সকলোখিনিয়ে পৰোক্ষ আৰু প্ৰত্যক্ষ ভাবে এই বিলৰ ওপৰত নিৰ্ভৰশীল। প্ৰায় ৫০০/৬০০ টা পৰিয়াল এই বিলক কেন্দ্ৰ কৰি সম্পূৰ্ণ মৎস্যজীৱি। কৃষি তেওঁলোকৰ উপজীৱিকাহে। বৰ্দ্ধিত জনহেঁচা এই বিলৰ বাবে অসহনীয় যেন অনুমান হয়। কিয়নো প্ৰাকৃতিক কাৰণতে এই বিলৰ গভীৰতা ক্ৰমে কমি আহি থকা বাবে মাছৰ পৰিমাণ ক্ৰমহ্ৰাসমান। ইয়াৰোপৰি মাছ, চৰাই আদি ধৰাত কোনো বিধিগত ব্যৱস্থা নাই। গতিকে যিকোনো পন্থাৰে বছৰৰ সকলো সময়তে মাছ, চৰাই আদি ধৰা হয়। ফলস্বৰূপে মাছ, চৰাইৰ কণী পৰ্যন্ত নষ্ট হোৱা দেখা যায়।

নাইতাৰা চৌতাৰা বিল গোৱালপাৰা মহকুমা পৰিষদৰ ৰাজহৰ এক গুৰুত্বপূৰ্ণ উৎস। বছৰি এই বিল অনুসূচীত জাতিৰ স্থানীয় সমবায় বা কোনো ব্যক্তিক ডাকত দিয়া হয়। উক্ত ডাক ব্যৱস্থাৰে সংগৃহীত ধন যুক্তিযুক্ত হয়নে নহয় সেইটো অৱশ্যে সন্দেহাতীত নহয়। বছৰি ডাক দিয়া মৎসজীৱিসকলে মাছ, চৰাই ধৰাৰ বাহিৰে অদ্যাপি এই বিলৰ উন্নয়ন সাধনৰ বাবে একো চিন্তা কৰা হোৱা নাই। এই সুযোগতে সম্প্ৰতি দৃষ্টিগোচৰ হোৱা কিছু সমস্যাৰ কথা উনুকিওৱাৰ লগতে সচেতন, বিজ্ঞলোক আৰু কতৃপক্ষৰ দৃষ্টি আকৰ্ষণ কৰিবলৈ

প্ৰয়াস কৰোহঁক।

এই বিলৰ বিশেষত্ব হ'ল— ইয়াত প্ৰচুৰ পৰিমানে সকলো ধৰণৰ মাছ পোৱা যায়। বোকাময় পানীত মূল্যবান নিকৰি পোৱা যায়। উল্লেখযোগ্য যে এই নিকৰি মাৰ্চ-এপ্ৰিল মাহত অসমৰ বাহিৰৰ লোকে যথেষ্ট দাম দি সংগ্ৰহ কৰি লৈ যোৱা দেখা গৈছিল। সম্প্ৰতি এইবিধ শস্যৰ সংকোচনে ইয়াৰ ব্যৱসায় নাইকীয়া কৰি তুলিছে। বিলত যথেষ্ট পৰিমাণে বিভিন্ন ধৰণৰ ভেঁট, শিঙৰী আৰু পদুম ফুল আছে। বিলৰ পাৰে পাৰে আৰু মাজে মাজে ত্বৰাং ঠাইত বড়ো ধান খেতি কৰা হয়। স্থানীয় বিভিন্ন চৰাই যেনে, বগলী, ডাউক, কোৰা, কাৰা, হাইঠা, শৰালি, বালিমাহী, পানী কাউৰী, হাড়গিলা, বিভিন্ন প্ৰজাতিৰ হাঁহ ইত্যাদি প্ৰচুৰ পৰিমানে এই বিলত দেখিবলৈ পোৱা যায়। এইবোৰৰ উপৰিও পৰিব্ৰাজক কিছুমান চৰাই মাজে মাজে বিশেষকৈ মাৰ্চ-এপ্ৰিল মাহত এই বিললৈ আহে। কিছুদিন আগলৈ যথেষ্ট উদ আছিল কিন্তু এতিয়া সম্পূৰ্ণ বিলুপ্ত। কাছৰ অৱস্থাও তদ্ৰূপ। এইবোৰক লৈ নাইতাৰা চৌতাৰা বিল প্ৰকৃতিৰ এক অপৰূপ বিচৰণ ক্ষেত্ৰ। কিন্তু সম্প্ৰতি এই বিল যথেষ্ট বিপৰ্যয়ৰ সন্মুখীন হৈছে। বৰ্তমান দেখা দিয়া সমস্যাসমূহ হ'ল—

১। প্ৰাকৃতিক কাৰণতে বিলৰ গভীৰতা কমি অহা বাবে বিলৰ মাটি খেতিৰ বাবে বেদখল।

২। বড়ো খেতিৰ বাবে ব্যক্তিগত খনন কাৰ্যৰ দ্বাৰা বহিঃপ্ৰবাহিত কৰনৈ নিজৰাৰ প্ৰায় অবলুপ্তি।

৩। মাছ আৰু চৰাই চিৰিকতি ধৰাৰ কোনো বিধিগত ব্যৱস্থা নাই।

৪। বিলৰ চাৰি সীমাৰ অদ্যপি কোনো নিৰ্দ্ধাৰিত সীমা নাই।

৫। চোৰা চিতা কৰা কোনো কৰ্তৃপক্ষ নাই।

৬। বিল উন্নয়নৰ বাবে অদ্যপি কোনো ব্যৱস্থা নাই।

কোৱা হয় নাইতাৰা চৌতাৰা বিলৰ মাছ বাৰীৰ চোতালেৰে উজাইছিল। পোহনীয়া হাঁহৰ লগত বনৰীয়া হাঁহৰ ইমান মিতিৰালি আছিল যে কেতিয়াবা ভুলতে বনৰীয়া হাঁহে বাৰীৰ গড়াল পাইছিল। মে-জুন মাহত কোনোবাই ইচ্ছা কৰিলে শতক হিচাপত বিভিন্ন হাঁহ, ডাউক, কোৰা আদি চৰাইৰ কণী সংগ্ৰহ

কৰিব পাৰিছিল। চেপ্তেম্বৰ-অক্টোবৰ মাহত ইচ্ছা কৰিলেই গণ্ডা হিচাপত পাখি সৰা বনৰীয়া হাঁহ ধৰিব পাৰিছিল। তাৰ বাবে কোনো বন্দুক, ধনুকাড় বা ফান্দৰ প্ৰয়োজন নহৈছিল। আলহীক বহুৱাই ৰাখি মাছ সংগ্ৰহ কৰি আপ্যায়িত কৰিব পাৰিছিল। এইবোৰ লেখকৰো বাল্যকালৰ চাক্ষুষ অভিজ্ঞতা। কিন্তু সময়ৰ সোঁতত এইবোৰ নিশ্চিহ্ন হোৱাৰ পথত। সময় থাকোঁতে সমাজ আৰু চৰকাৰে এই বিলৰ ঐতিহ্য ৰক্ষা কৰিবনে? এই বিলক উন্নত মীন মহল কৰিব পাৰিনে? এনে কৰিলে প্ৰাকৃতিক সম্পদ সংৰক্ষণ হ'ব আৰু আনহাতে প্ৰাকৃতিক চিৰিয়াখানালৈ এই বিল পৰিণত হ'ব। লগতে সংশ্লিষ্ট কৰ্তৃপক্ষৰ ৰাজহ সংগ্ৰহো বৃদ্ধি কৰিব পৰা যাব আৰু প্ৰকৃতিৰ ভাৰসাম্যও ৰক্ষা পৰিব।

●●●

# বিহঙ্গম দৃষ্টিত গোৱালপাৰা জিলা

**অৱতৰণিকা ঃ**

নামনি অসমৰ অন্যতম ঐতিহ্যপূৰ্ণ গোৱালপাৰা জিলাখন কেবাখনো জিলালৈ বিভাজিত হোৱাৰ পিছত সম্প্ৰতি ১৮২৪ বৰ্গ কিঃমিঃ বিস্তৃতিৰে ই মহাবাহু ব্ৰহ্মপুত্ৰৰ দক্ষিণ পাৰত অৱস্থিত। পুৰণি কালত প্ৰাগজ্যোতিষপুৰ, কামৰূপ, কোচ-হাজো, কমতাপুৰ, ৰংপুৰ আদি ৰাজ্যৰ সৈতে সীমা সংযুক্ত আৰু হৰণ-ভগনৰ পিছতো বিভাজনৰ প্ৰক্ৰিয়াত ক্ৰমে ১৯৮৩ আৰু ১৯৮৯ চনতো পুনঃ বিভাজন হৈ বৰ্তমান এই সংকুচিত ৰূপ গোৱালপাৰা জিলাখনৰ। উত্তৰে মহাবাহু ব্ৰহ্মপুত্ৰ, দক্ষিণে মেঘালয় ৰাজ্যৰ পূব আৰু পশ্চিম গাৰোপাহাৰ, পূবে কামৰূপ গ্ৰাম্য জিলা আৰু পশ্চিমে দক্ষিণ শালমাৰা মানকাচাৰ জিলাৰে আবৃত বৰ্তমানৰ গোৱালপাৰা জিলাখন। ভাৰত চৰকাৰৰ ২০১১ চনৰ লোক পিয়ল মতে বৰ্তমান গোৱালপাৰা জিলাৰ মুঠ জনসংখ্যা ১০০৮৯৫৯ আৰু ইয়াৰ ৭৭.৬৭ শতাংশ সাক্ষৰ লোক।[১] সাধাৰণ প্ৰশাসনিক ব্যৱস্থাত জিলাখন এখন সদৰ মহকুমা, পাঁচটা ৰাজহ চক্ৰ, আঠোটা উন্নয়ন খণ্ড, একাশীখন গাঁওপঞ্চায়ত আৰু ৮২৯ খন বসতিপূৰ্ণ ৰাজহ গাঁৱেৰে গঠিত। ৰাজনৈতিক গাঁথনিত জিলাখনত চাৰিটা বিধান সভা সমষ্টি আছে আৰু তাৰে দুখনৈ বিধান সভা সমষ্টিটো জনজাতি সংৰক্ষিত, বাকী তিনিটা অসংৰক্ষিত সমষ্টি। এই সমষ্টি চাৰিটাৰ দুখনৈ জনজাতি সংৰক্ষিত সমষ্টিটো গুৱাহাটী লোকসভা সমষ্টিৰ অধীন আৰু বাকীবোৰ ধুবুৰী লোকসভা সমষ্টিৰ অন্তৰ্গত। এই সমষ্টিসমূহৰ কিছু কিছু অংশ বৰ্তমানৰ ৰাভা হাছং স্বায়ত্ব শাসিত পৰিষদৰ

এলেকাধীন। ভাৰতৰ প্ৰাক্-সংস্কাৰ কাললৈকে জিলাখন ৰাজ্যৰ ভিতৰত অন্যতম পিছপৰা জিলা হিচাপে চিহ্নিত হৈছিল যদিও বৰ্তমান উন্নয়ন দিশত অসমৰ ভিতৰত ইয়াৰ স্থান দশম। বৰ্তমান গোৱালপাৰা জিলাখনৰ আৰ্থ-সামাজিক অৱস্থাৰ কেইটামান দিশ বিহংগম দৃষ্টিৰে আলোকপাত কৰিবলৈ নিবন্ধটি যুগুতোৱাৰ চেষ্টা কৰা হৈছে।

**অতীত প্ৰেক্ষাপট ঃ**

বৰ্তমানৰ গোৱালপাৰা জিলাখনত অৱস্থিত শ্ৰীসূৰ্য, টুক্ৰেশ্বৰী, পাগ্‌লাটেক আদি ঠাইৰ বিভিন্ন প্ৰকাৰৰ ভাস্কৰ্য্য, শিলত কটা চিত্ৰ আদিয়ে গুপ্ত যুগৰ চিহ্ন বহন কৰে যদিও এতিয়াও অনেক প্ৰাচীন তথ্য অনাবিস্কৃত হৈ আছে। মধ্য যুগৰ বিশেষকৈ কামৰূপ, কোচ-হাজো ৰাজ্য আৰু জমিদাৰকালীন সময়ৰ পৰা গোৱালপাৰাৰ কিছু বুৰঞ্জীমূলক সমল বিচাৰি পোৱা যায়। “এঘাৰশ শতিকাৰ প্ৰথমাৰ্ধত পুৰণি কামৰূপৰ প্ৰশাসকে ঢেক্কৰীৰ পৰা ঈশ্বৰ ঘোষ নামৰ মহামাণ্ডলিকৰ অধীনত থকা গাল্লিটিপ্যক নামে অঞ্চলটি নিৰ্বোক শৰ্মা নামৰ ব্ৰাহ্মণ এজনক দান সূত্ৰে প্ৰদান কৰা” তথ্যৰ পৰা অনুমান কৰা হয় যে ঠাইখনৰ নাম গাল্লিটিপ্যক শব্দৰপৰা উৎপত্তি হৈছে।[২] উল্লেখযোগ্য যে ঈশ্বৰ ঘোষ কামৰূপ ৰাজ্যৰ কৰতলীয়া শাসক ধৱল ঘোষৰ পুত্ৰ আছিল। ধৱল ঘোষৰ অধীনত আছিল কাংগুৰ নামৰ সৰু ৰাজ্য আৰু তাৰ ৰাজধানী আছিল বৰ্তমানৰ বাংলাদেশ সীমান্তৱৰ্তী মানকাচাৰৰ ওচৰৰ কালাপানী নামে ঠাইত। গাল্লিটিপ্যক অঞ্চলটি এইজন প্ৰশাসকৰ পৰা হস্তান্তৰ কৰা সূত্ৰে শব্দটোৰ অপভ্ৰংশৰ পৰিণতিত গোৱালপাৰা হয় বুলি মত পোষণ কৰা হয়। আন এক প্ৰবাদমতে প্ৰাচীন কালৰ পৰা গাখীৰ যোগান ধৰোঁতা গোৱালসকলৰ পুঞ্জিভূত বসতিৰ বাবে ঠাইখনৰ নাম গোৱালপাৰা হয় বুলি কোৱা হয়। গোৱালপাৰা চহৰৰ গোৱালতলী নামৰ ঠাইখনৰ বৰ্তমান অৱস্থিতিয়ে এই কথাৰ কিছু সত্যতা প্ৰমাণ কৰে।

বৰ্তমান ব্যৱস্থাত অঞ্চল একোটাৰ আৰ্থ-সামাজিক অৱস্থাৰ সম্যক ধাৰণা পাবলৈ মানৱ উন্নয়ন সূচকৰ (HDI) সহায় লোৱা দেখা যায়। গুৱাহাটীস্থ অমিয় কুমাৰ দাস সামাজিক পৰিবৰ্তন আৰু বিকাশ প্ৰতিষ্ঠানে (OKDISCD) প্ৰস্তুত কৰা ২০১৪ বৰ্ষৰ উন্নয়ন জোখ মতে গোৱালপাৰাৰ মানৱ উন্নয়ন সূচক

মূল্য ০.৫১৯ আৰু অসমৰ ২৭ খন জিলাৰ ভিতৰত ইয়াৰ স্থান দশম। সামগ্ৰিকভাৱে অসমৰ উন্নয়নৰ সূচক ০.৫৫৭, য'ত কামৰূপ (নগৰ) জিলাৰ সূচক মূল্য ০.৭০৩ সহ ই প্ৰথম স্থান প্ৰাপ্ত।

যাতায়াত আৰু শিল্পকৰ্ম ঃ

বৃহৎ আৰু মজলীয়া উদ্যোগ নথকা জিলাখন সৌ সিদিনালৈ অৰ্থাৎ ১৯৯৮ চনলৈকে আধুনিক যাতায়াতৰ প্ৰধান সমল ৰেলসেৱা সংযোগৰ পৰা বঞ্চিত আছিল। জিলাখনৰ এফালে সীমামূৰীয়া মেঘালয় ৰাজ্যৰ পাহাৰীয়া অঞ্চল আৰু আনফালে মহাবাহু ব্ৰহ্মপুত্ৰৰ কাষৰীয়া দ' ঠাইৰ অৱস্থিতিয়ে পথ সংযোগ ব্যৱস্থাৰ উন্নয়নতো হেঙাৰ স্বৰূপ হৈ আছিল। সম্প্ৰতি কামাখ্যা পঞ্চৰত্ন ৰেলপথৰ লগতে নৰনাৰায়ণ সেতুৰ নিৰ্মাণে জিলাখনক ভাৰতবৰ্ষৰ মূল ভূখণ্ডৰ সৈতে সংযোজিত কৰি তুলিছে। জিলাখনৰ সোঁ মাজেৰে অতিক্ৰম কৰা প্ৰায় ৭০ কিঃমিঃ দৈৰ্ঘ্যৰ ৩৭ নং ৰাষ্ট্ৰীয় ঘাইপথ, ৬৫ কিঃমিঃ দৈৰ্ঘ্যৰ ৰাজ্যিক পথৰ লগতে বিভিন্ন গাঁৱৰ পৰা সংযোগী পথ সমূহৰ উন্নয়নে জিলাখনৰ যাতায়াত ব্যৱস্থা সূচল কৰি তুলিছে। ৰাষ্ট্ৰীয় ঘাইপথ আৰু ৰাজ্যিক পথ সংযোগী পথসমূহৰ দৈৰ্ঘ্য প্ৰায় ১৬০০ কিঃমিঃ। পথ যোগাযোগৰ এই তথ্যসমূহে প্ৰমাণ কৰে যে গোৱালপাৰা জিলাখন যাতায়াত ব্যৱস্থাত বৰ্তমান পিছপৰা নহয়।

মন কৰিবলগীয়া যে অসমৰ প্ৰায়বোৰ জিলাৰ তুলনাত গোৱালপাৰা জিলাখন প্ৰাকৃতিক শক্তি সম্পদহীন। ক্ষয়িষ্ণু বনাঞ্চল আৰু তৰাং হৈ পৰা কিছু জলাশয়ৰ বাহিৰে উন্নয়নত প্ৰভাৱ পেলাব পৰা শক্তি-সম্পদৰ বিশেষ উৎস এই জিলাত দেখা নাযায়। জিলাবাসীৰ উপাৰ্জনত প্ৰভাৱ পেলাব পৰা উদ্যোগ প্ৰতিষ্ঠানৰ অপ্ৰচুৰতাৰ বিপৰীতে আৰ্থিক কাম-কাজৰ ভিতৰত এই জিলাখনত মজলীয়া ধৰণৰ দুটা চাহ উৎপাদন প্ৰতিষ্ঠান (শিমলীতোলা আৰু মৈজোঙা), হস্তশিল্পৰ বাঁহৰ ধাৰি শিল্প (বলবলা), বাঁহৰ ধূপকাঠি তৈয়াৰী শিল্প (ধূপধৰা, ৰংজুলি, দৰংগিৰি আদি), মৃৎশিল্প (গেৰুৱা, ডমনাপাৰা), শীতল পাটী শিল্প (ডুবাপাৰা), প্ৰায়বোৰ গাঁৱত বোৱাকটা শিল্প, অৰ্ধকাৰিকৰী কাঠ শিল্প , ফল সংৰক্ষণ-প্ৰক্ৰিয়াকৰণ, ইটা প্ৰস্তুতকৰণ, মৎস্য পালন, হাঁহ-কুকুৰা পালন, আদি বোৰহে উল্লেখযোগ্য। প্ৰাকৃতিক বিলবোৰ যেনে উৰ্পদ, কুম্ৰী, হাছিলা,

চৌতাৰা-নাইতাৰা, ভেৰভেৰি আদি বৰ্তমান দ্ৰুত গতিত সংকুচিত হ'ব ধৰিছে।

**কৃষি আৰু কৃষি আনুষঙ্গিক কৰ্ম ঃ**

গোৱালপাৰা জিলাৰ প্ৰায় ৯০ শতাংশ লোক কৃষি নিৰ্ভৰশীল যদিও আধুনিক কৃষি পৰম্পৰা কেৱল ১০ শতাংশ মান কৃষকেহে আকোঁৱালী লোৱা দেখা যায়। সৰ্বমুঠ ১৩২ হাজাৰ হেক্টৰ কৃষিজমিৰ মাত্ৰ ৮০ হাজাৰ হেক্টৰ মাটিত কৃষি কাৰ্য কৰা হয় আৰু সৰহখিনিতে বছৰেকত এবাৰ খেতি কৰা পদ্ধতি জিলাখনত এতিয়াও প্ৰচলিত। বছৰেকত একাধিকবাৰ খেতি কৰাৰ বাবে লাগতিয়াল উপাদান - পানীযোগান ব্যৱস্থা এই জিলাত অতি সীমিত বাবে আধুনিক কৃষি পদ্ধতি —"পানী-মেচিন-সাৰ-উন্নতবীজ- কীটনাশক" মাৰ্গ এতিয়ালৈ প্ৰযোজ্য হোৱা নাই। বৃহৎ আৰু মজলীয়া জলসিঞ্চন প্ৰকল্পৰ দ্বাৰা মাত্ৰ ৭৪০ হেক্টৰ ভূমিত বছৰত দুবাৰকৈ খেতি কৰাৰ বাবে পানী যোগান ধৰিব পৰাৰ ব্যৱস্থা আছে। কৃষি উৎপাদনৰ লাগতিয়াল আটাইতকৈ গুৰুত্বপূৰ্ণ উপাদান পানীযোগানৰ অপ্ৰচুৰতাই উন্নত কৃষি পদ্ধতি প্ৰয়োগ আৰু কৃষিৰ ভিন্নমুখীতাৰ বাবে হেঙাৰ হৈ থকা দেখা যায়। কৃষিৰ ভিন্নমুখীতা সৃষ্টি কৰিব নোৱাৰা বাবে গোৱালপাৰা জিলাৰ কৃষি উৎপাদিকা নিম্ন হৈ থকা পৰিলক্ষিত হৈছে। গোৱালপাৰাত কৃষি বিপ্লৱৰ সূচনা কৰাৰ বাবে কৃষকসকলৰ যথেষ্ট অভিপ্ৰায় থকা সত্বেও জলসিঞ্চনৰ অপ্ৰচুৰতা আৰু কৃষিজমিৰ সংকোচন ধাৰাই বাধা স্বৰূপ হৈ আছে। বৰ্তমান জিলাখনৰ গড় কৃষি যোগ্য জমিৰ পৰিমান গৃহস্থ প্ৰতি মাত্ৰ ১.০১ হেক্টৰ আৰু ৰাজ্যখনৰ প্ৰায় ১.৭ হেক্টৰ। তৎসত্বেও উল্লেখযোগ্য যে জিলাখনৰ এজন সফল খেতিয়ক উপেন্দ্ৰ ৰাভাই এবিধ বিশেষ ধৰণৰ ধান উৎপাদনত বিশেষীকৃত হৈ অধিক উৎপাদনক্ষম কৰি তুলিবলৈ সক্ষম হৈছে। এইজন খেতিয়কৰ ধানবিধ 'উপেন্দ্ৰ ৰাইচ' নামেৰে পৰিচিতি লাভ কৰিবলৈ সক্ষম হৈছে আৰু ইয়াৰ চাহিদাও যথেষ্ট বৃদ্ধি হোৱা পৰিলক্ষিত হৈছে।

গোৱালপাৰা জিলাৰ ভূ-অবয়ব আৰু জলবায়ু কৃষি-আনুষঙ্গিক খণ্ড যেনে উদ্যান শস্য, পশুধন, ৰেচম, মৎস উৎপাদনৰ উপৰিও পৰ্যটনৰ বাবে যথেষ্ট অনুকূল। এইবোৰৰ ভিতৰত উদ্যান শস্য উৎপাদনত জিলাখনে বিশেষ

স্থান দখল কৰি আছে। এই জিলাত উৎপাদিত আৰু ওচৰৰ পূব আৰু পশ্চিম গাৰোপাহাৰ জিলাৰ পৰা অহা উদ্যান শস্যৰ পয়োভৰে গোৱালপাৰা জিলাৰ বিভিন্ন স্থানত লেখত ল'বলগীয়া ৰূপত বজাৰীকৰণ হোৱা দেখা যায়। উচ্চ মূল্য সম্পন্ন বিভিন্ন প্ৰকাৰৰ ফল-মুল যেনে - কল, সুমথিৰা, মৌচুমী, মাটিকঁঠাল, তামোল, নেমু, অমিতা, কচু, শাক-পাচলি আদিৰ প্ৰচুৰ উৎপাদনে কৃষকৰ উপাৰ্জনৰ উপৰিও বজাৰ সম্প্ৰসাৰণৰ সুবিধা প্ৰদান কৰি আছে। উল্লেখযোগ্য যে গোৱালপাৰাৰ দৰংগিৰি কল বজাৰখন এচিয়া মহাদেশৰ ভিতৰত অন্যতম বৃহৎ কল বজাৰ বুলি প্ৰকাশ পাইছে। ৰেচম শিল্পৰ উৎকৃষ্ট মানৰ এড়ি আৰু মুগা উৎপাদনে গোৱালপৰীয়াসকলক আৰ্থিক সকাহ দিয়া দেখা যায়। ৰেচম শিল্পৰ কেঁচামালৰ উৎপাদনৰ বাবে অসমৰ ৰেচম মানচিত্ৰত গোৱালপাৰা জিলাৰ এক বিশেষ স্থান আছে। উন্নত এড়ি সঁচ উৎপাদনৰ বাবে ১৯৫৩ চনত জিলাখনৰ ধনুভাঙাত প্ৰায় ১২ একৰ জমিত এড়ি সঁচ উৎপাদন কেন্দ্ৰ প্ৰতিষ্ঠা কৰা হয়। পুনৰ ১৯৫৫ চনত প্ৰায় ৩০০০ একৰ জমিত আগিয়া চেৰিকালচাৰ পাম প্ৰতিষ্ঠা কৰা হয়। সমগ্ৰ জিলাখনৰ গাঁওসমূহত এড়ি আৰু মুগা পালকসকলক উন্নত নুনীপাত যোগান ধৰিবলৈ দুধনৈ , কুশধোৱা, অম্বুক, বুদলুং, মাটিয়া, লাম্বুপাৰা, ৰংজুলি, ৰেংখ্ৰেংপাৰা, পিপলীবাৰী, চাপলাই, নয়াগাঁও আদি ঠাইত নুনী আৰু মুগা গছ ৰোপন কৰা হয়। তদুপৰি ধনুভাঙা, খুটাবাৰী, আগিয়া আদি ঠাইত এড়ি সুতা কটা, পাটমুগা ৰুলিং প্ৰশিক্ষণ কেন্দ্ৰ গঢ়ি উঠিছে। এইসমূহ ব্যৱস্থাৰ দ্বাৰা গোৱালপাৰা জিলাৰ শিপিনী-বোঁৱনীৰ কৰ্ম পৰিসৰ বৃদ্ধি হয় আৰু এতিয়ালৈ এনে ঐতিহ্য বৰ্তি থকা দেখা যায়। এই পৰম্পৰাই জিলাখনৰ জনজাতি মহিলাসকলৰ বয়ন কৌশল বৃদ্ধি কৰাৰ ফলত বিশেষকৈ বড়ো, ৰাভা, কোচ-ৰাজবংশী মহিলাসকলৰ অনন্য বয়ন নৈপুন্য ফুটি উঠা দেখা যায়। উল্লেখযোগ্য যে লোক পৰম্পৰা ভিত্তিক বয়ন শিল্পক আধুনিক ৰূপত দাঙি ধৰি সকলোৰে পৰিচিতি লাভ কৰা লেডী ৰাভা গোৱালপাৰাৰে মহিলা। তদুপৰি কৃষি জমি সংকোচন তথা নিবনানিকৰণৰ পৰিণতিত খেতিয়কসকলৰ নতুন চিন্তা চৰ্চাৰে খালি হৈ থকা জমিত উদ্যান শস্যৰ ফুলঝাৰু, ৰবৰ আৰু পাম খেতিৰ সম্প্ৰসাৰণ হৈ থকা দেখা গৈছে।

**শিক্ষা ঃ**

গোৱালপাৰা জিলাৰ শিক্ষাৰ ক্ষেত্ৰখনৰ অৱস্থা জুকিয়াই চালে দেখা যায় যে বৃত্তিমূলক শিক্ষা-সুবিধাৰ বাহিৰে বাকীবোৰ সুবিধা কম-বেচি পৰিমানে আছে। গোৱালপাৰা সদৰত এখন জুনিয়ৰ টেকনিকেল স্কুল আৰু কোঠাকুঠীত নিৰ্ম্ময়মান এখন আই টি আইৰ বাহিৰে উচ্চ পৰ্য্যায়ৰ বৃত্তিমূলক কাৰিকীৰ তথা চিকিৎসা শিক্ষানুষ্ঠান নথকা জিলাখনত ৩ খন বিজ্ঞান শাখা থকা মহাবিদ্যালয় সহ মুঠ ১২খন মহাবিদ্যালয়ে উচ্চ শিক্ষা প্ৰদান কৰি আছে। এইবোৰ মহাবিদ্যালয়ৰ ৮ খন অসম কলেজ শিক্ষক সংস্থাৰ সদস্য আৰু বাকী ৪ খন নতুনকৈ চৰকাৰীকৰণ হোৱাৰ পথত। এই শিক্ষানুষ্ঠানবোৰৰ ভিতৰত বিকালী মহাবিদ্যালয়ত অসমীয়া আৰু ভূগোল বিজ্ঞানত স্নাতকোত্তৰ শিক্ষা প্ৰদানৰ ব্যৱস্থা আছে। জিলা খনত চৰকাৰী স্বীকৃতিপ্ৰাপ্ত আৰু ব্যক্তিগত খণ্ডত কেইখন মান কণিষ্ঠ মহাবিদ্যালয়ৰ উপৰিও ২০খন চৰকাৰী উচ্চতৰ মাধ্যমিক বিদ্যালয়, ৭৫ খন উচ্চ মাধ্যমিক বিদ্যালয় আৰু ১১খন উচ্চ মাধ্যমিক মাদ্ৰাছাই শিক্ষাজগতত সেৱা আগবঢ়াই আছে। প্ৰাথমিক স্তৰৰ শিক্ষা প্ৰদানৰ বাবে গোৱালপাৰাত ১২৯৮ খন নিম্ন প্ৰাথমিক, ২১৩ খন উচ্চ প্ৰাথমিক আৰু ৬খন চিনিয়ৰ মাদ্ৰাছা আছে। এইবোৰৰ উপৰিও জিলাখনত এখন সংস্কৃত বিদ্যালয়, এখন আইন মহাবিদ্যালয়, এখন চৰকাৰী শিক্ষক প্ৰশিক্ষণ প্ৰতিষ্ঠান, এখন চৰকাৰী বি.এড কলেজ, এখন চৰকাৰী বৃত্তিমুখী প্ৰতিষ্ঠান (ছটোমাটিয়া) আৰু এখন সৈনিক স্কুল আছে। শিক্ষাৰ ব্যক্তিগতকৰণ আৰু বজাৰীকৰণ নীতিৰ প্ৰভাৱত আন ঠাইৰ দৰে গোৱালপাৰা জিলাতো প্ৰায়বোৰ ক্ষুদ্ৰ চহৰ আৰু গাঁৱত ব্যক্তিগত খণ্ডত ইংৰাজী আৰু অসমীয়া মাধ্যমৰ বিদ্যালয় গঢ়ি উঠিছে। এইসমূহ বিদ্যালয়ৰ কিছু সংখ্যকে কেন্দ্ৰীয় শিক্ষা পৰিষদৰ পাঠ্যক্ৰমেৰে শিক্ষা প্ৰদান কৰি আছে আৰু সৰহ সংখ্যকে অসম মাধ্যমিক শিক্ষা পৰিষদ আৰু অসম উচ্চতৰ মাধ্যমিক শিক্ষা সংসদৰ পাঠ্যক্ৰমেৰে শিক্ষাদান কৰি আছে।

**স্বাস্থ্য ঃ**

স্বাস্থ্য সেৱাৰ সা-সুবিধাৰ দিশত গোৱালপাৰা জিলাখন আপেক্ষিক ভাবে অসমৰ অনেক জিলাতকৈ উন্নত যদিও অতি উন্নত চিকিৎসা সেৱা

প্ৰদানকাৰী হস্পিতালৰ স্থিতি নাই। জিলা সদৰত ২০০ বিছনাযুক্ত অসামৰিক চিকিৎসালয়, সদৰত ৪/৫ খন মান ব্যক্তিগত খণ্ডৰ নাৰ্ছিং হোম, বিভিন্ন গাঁওসমূহৰ মাজত সিঁচৰিত হৈ থকা ৩৪ খন পাব্লিক হেল্‌থ চেণ্টাৰ, এখন কমুনিটি হেল্‌থ চেণ্টাৰ আৰু কেইখনমান উপ-স্বাস্থ্য কেন্দ্ৰৰ দ্বাৰা জিলাবাসীক স্বাস্থ্য সেৱা আগবঢ়াই থকা হৈছে। চিকিৎসালয়, ঔষধৰ পয়োভৰ আৰু স্বাস্থ্যকৰ্মীৰ উপৰিও স্বাস্থ্য সেৱাৰ অন্যতম উৎস হ'ল বিশুদ্ধ খোৱাপানী। গোৱালপাৰা জিলাৰ প্ৰায়বোৰ গাঁৱত খোৱাপানীৰ নিম্নতম সুবিধাৰ পৰা এতিয়াও বঞ্চিত হৈ আছে। জিলাখনৰ সোঁমাজেৰে অতিক্ৰম কৰা ৩৭ নং ৰাষ্ট্ৰীয় ঘাইপথৰ উত্তৰ দিশৰ গাঁওসমূহৰ প্ৰায়বোৰত চৰকাৰৰ ক্ষুদ্ৰ পানী যোগান আঁচনি তাৰাপাম্প, হেণ্ডপাম্প ফলপ্ৰসু হোৱাৰ বিপৰীতে দক্ষিণ দিশত মেঘালয় সীমান্তবৰ্ত্তী গাঁওবোৰত এইবোৰ ফলপ্ৰসু হোৱা নাই আৰু প্ৰায় ৫০ শতাংশ গাঁৱত এতিয়াও কেঁচা নাদ অথবা নিজৰাৰ পানী ব্যৱহাৰ কাৰ্য চলি আছে। উল্লেখযোগ্য যে গোৱালপাৰা জিলাৰ গাঁওবোৰত চলি থকা তাৰাপাম্প, হেণ্ডপাম্প আদিবোৰৰ পৰা পোৱা খোৱা পানী প্ৰকৃততে বিশুদ্ধ হয় নে নহয় তাক এতিয়াও ঠাৱৰ কৰিব পৰা হোৱা নাই। জিলাখনৰ জনস্বাস্থ্য কাৰিকৰী বিভাগৰ দ্বাৰা খোৱাপানীৰ বিশুদ্ধতা নিৰ্ণয় কৰাৰ পৰীক্ষাগাৰ আছে যদিও জিলাবাসীৰ সৰহসংখ্যক লোক সজাগ নোহোৱা বাবে এই দিশৰ কাৰ্যকাৰীতা সম্ভৱ হোৱা নাই।

**সমন্বয়, সংস্কৃতি, পৰম্পৰা ঃ**

অতি পুৰণি ঐতিহ্য মণ্ডিত জিলা হিচাপে গোৱালপাৰা জিলাখন এসময়ৰ বৰ অসমৰ এক ক্ষুদ্ৰ সংস্কৰণ বুলি আজিও বিশ্বাস কৰা হয়। বিভিন্ন ভাষা-ভাষী আৰু ধৰ্মাৱলম্বী লোকৰ উপৰিও জিলাখনত বিভিন্ন জনগোষ্ঠী যেনে—ৰাভা, বড়ো, গাৰো, কোচ ৰাজবংশী, হাজং, কলিতা, কায়স্থ, আদিবাসী, ব্ৰাহ্মণ, মুছলমান, নেপালী আদিৰ লোক যুগে যুগে সম্প্ৰীতিৰে বসবাস কৰি আহিছে। নৃগোষ্ঠীয় পৰম্পৰা অনুসৰি জিলাখনৰ সাংস্কৃতিক পৰম্পৰা বৃহৎ অসমীয়া সমাজ জীৱনৰ সাংস্কৃতিক পৰম্পৰাৰ সৈতে অভিন্ন। গোৱালপাৰাৰ লোক-সংস্কৃতি আৰু অসমীয়া সংস্কৃতিলৈ ইয়াৰ অৱদান শীৰ্ষক বক্তৃতালানিত

বীৰেন্দ্ৰনাথ দত্তৰ উক্তি এইক্ষেত্ৰত প্ৰণিধান যোগ্য। তেওঁৰ মতে গোৱালপাৰাৰ সংস্কৃতিৰ সুকীয়া বৈশিষ্ট্য থাকিলেও ই অসমীয়া সংস্কৃতিৰেই বৈচিত্ৰ প্ৰদানকাৰী উপাদান।[৩] এই জিলাখনত থকা মঠ-মন্দিৰ, থান, সত্ৰ, নামঘৰ, গীৰ্জা, মছজিদ, দৰগাহ আদিৰ সংমিশ্ৰিত অৱস্থিতিয়ে আৰু এইবোৰক কেন্দ্ৰ কৰি গঢ়ি উঠা সামাজিক পৰম্পৰাই 'অনৈক্যৰ মাজত ঐক্য' বৰ্তাই ৰখাৰ চাক্ষুষ প্ৰমাণ। অতি পুৰণি ধৰ্মীয় পীঠস্থান শ্ৰীসূৰ্য, টুক্ৰেশ্বৰী দেৱালয়, দদান মন্দিৰ, জাখিলীৰ জঙ্গাবুঢ়ী বাথৌ থানচালি (মাজজাখিলি), আমগুৰীৰ বুঢ়ী ঠাকুৰাণী থান, ডেকধোৱা মাজাৰ, জলেশ্বৰৰ পীৰবাৰী, জুৰিগাঁৱৰ গীৰ্জা, গোৱালপাৰা চহৰৰ আউলিয়া মাজাৰ, ডাকাইদলৰ দৰগাহ, শ্যামৰায় সত্ৰ, দলগোমা সত্ৰ, শ্ৰীসূৰ্যৰ বৌদ্ধ স্তুপ, ৰংজুলিৰ ৰামচন্দ্ৰ বিগ্ৰহ, আমবাৰীৰ দুধকোঁৱৰ, বনবাসী থান আদি উল্লেখনীয় ধৰ্মীয় পৰম্পৰাৰ স্থান। এই ঠাইবোৰক কেন্দ্ৰ কৰি গঢ়ি উঠা ধৰ্মীয় আৰু সাংস্কৃতিক পৰম্পৰাই যুগে যুগে সমাজলৈ ঐক্য, সংহতি, শান্তি-সম্প্ৰীতিৰ বাৰ্তা প্ৰেৰণ কৰি আহিছে। ইয়াৰ উপৰিও এই স্থানসমূহে প্ৰচুৰ পৰ্যটনৰ সম্ভাৱনীয়তা বহন কৰি আছে। তদুপৰি জিলাখনৰ ৰাভা, বড়ো, গাৰো, হাজং আৰু কোচ ৰাজবংশীসকলৰ স্বকীয় নৃত্য আৰু গীতৰ সুকীয়া শৈলীও পৰ্য্যটন বিকাশৰ কেন্দ্ৰ বিন্দু হ'ব পাৰে। এই জনগোষ্ঠীসমূহৰ হস্তশিল্পৰ নিপুনতা আৰু বিচিত্ৰতাও যিকোনো পৰ্যটকৰ আকৰ্ষণৰ কেন্দ্ৰ হ'ব পাৰে। উল্লেখযোগ্য যে কলা-সংস্কৃতিৰ দিশত লেখত ল'বলগীয়া লোকনাট্যৰ সাধক শুক্ৰাচাৰ্য্য ৰাভা, বলিউদৰ অভিনেতা স্বৰ্গীয় চফিকুল ইছলাম, আদিল হুছেইন আদি সৰ্বজন বিদিত কুশলীসকল এই জিলাৰ বাসিন্দা। অন্ধ বিশ্বাস পৰম্পৰা বিশেষকৈ ডাইনী হত্যা ব্যাধি ৰোধৰ বাবে বীৰাঙ্গণাৰ ভূমিকা পালন কৰি থকা ড° বিৰুবালা ৰাভাৰ কৰ্ম কৌশলৰ প্ৰতি জিলাবাসী পূৰ্ণ সমৰ্থনেৰে সহযোগ আগবঢ়োৱা পৰিলক্ষিত হৈছে।

গোৱালপাৰা জিলাৰ আটাইবোৰ জনগোষ্ঠীয় লোক-সংস্কৃতিৰ ক্ষেত্ৰ যেনে- লোক-কলা, লোক-গীত, লোক-নৃত্য, লোক-নাট্য, লোক-বিশ্বাস আদি বৃহত্তৰ অসমীয়া লোক-সংস্কৃতিৰ সৈতে আদান-প্ৰদানৰ মাজেৰে উভয়ে সমৃদ্ধিশালী হোৱা পৰিলক্ষিত হৈছে। এইবোৰ লোক-সংস্কৃতিয়ে সুকীয়া বৈশিষ্ট্য

অটুট ৰাখিও বৃহৎ অসমীয়া জাতীয় সংস্কৃতিলৈ অনবদ্য বৰঙণি আগবঢ়াই আছে। অসমখন যিদৰে বৈচিত্ৰ পূৰ্ণ ভিন্ন জনগোষ্ঠীয় পৰম্পৰাৰ ভঁৰাল গোৱালপাৰা জিলাখনো সেইদৰে ভিন্ন জনগোষ্ঠী আৰু লোক-সংস্কৃতিৰ বহল পথাৰ।

**মন্তব্য ঃ**

আধুনিক কল্যাণকামী ৰাষ্ট্ৰ ভাৰতৰ সাম্প্ৰতিক চৰকাৰী নীতি ‘সকলোকে সামৰি উন্নয়ন’ শ্লোগান অকল মুখৰ অথবা লিখিত উক্তি হৈ নথকাটো কাম্য। গোৱালপাৰা জিলাখনৰ সাৰ্বিক উন্নয়নৰ বাবে সকলো জনগোষ্ঠীৰ সম উন্নয়ণৰ ধাৰা সৃষ্টি কৰাৰ ক্ষেত্ৰত দায়িত্বশীল সংগঠকৰ লগতে চৰকাৰৰ কৰিবলগীয়া অনেক কাম থাকে। বৈষম্যহীন দৃষ্টিৰে অতি পিছপৰা গাঁওসমূহলৈও চকু দিয়া দৰকাৰ। এই দুয়োটা দিশৰ প্ৰতি গুৰুত্ব দি সংশ্লিষ্ট সকলোৱে চিন্তা-ভাৱনা কৰিলে কল্যাণকামী ৰাষ্ট্ৰৰ উন্নয়ন উদ্দেশ্য পূৰণত যথেষ্ট সহায়ক হ'ব। সামগ্ৰীক কল্যাণৰ বাবে লাগতিয়াল বুনিয়াদসমূহৰ প্ৰচুৰতাই অঞ্চল একোটিৰ আৰ্থ-সামাজিক অৱস্থাৰ পৰিবৰ্তন সাধিব পাৰে। নিবন্ধটিত আলোকপাত কৰা দিশসমূহৰ বাবে অগ্ৰাধিকাৰ ভিত্তিত দীৰ্ঘ ম্যাদি আৰু হ্ৰস্ব ম্যাদি ব্যৱস্থা গ্ৰহণৰ বিকল্প নাই। জিলাখনত বিশেষকৈ কৃষি আৰু কৃষি-আনুষঙ্গিক উদ্যান শস্যৰ বিকাশ, শিক্ষাৰ বৃত্তিমূলক প্ৰতিষ্ঠান গঢ়ি তোলা আৰু স্বাস্থ্য সেৱাৰ উন্নতি সাধনৰ বাবে বিশেষ ভাৱে অগ্ৰাধিকাৰ দিয়া উচিত।

প্ৰসঙ্গ সমল ঃ

১। Statistical Handbook Assam, 2012, Directorate of Economics and Statistic, Govt. of Assam.

২। শইকীয়া, আবেদুৰ ৰহমান (১৯৯১) ঃ গোৱালপাৰা জিলাৰ ভৌগলিক ইতিহাস, আগলতি, সপ্ত পঞ্চাশতম্ দুধনৈ অধিবেশন, অসম সাহিত্য সভা, পৃষ্ঠা-৮ ।

৩। দত্ত, বীৰেন্দ্ৰনাথ (১৯৯২) ঃ গোৱালপাৰাৰ লোক-সংস্কৃতি আৰু অসমীয়া সংস্কৃতিলৈ ইয়াৰ অবদান, ধুবুৰী, পৃষ্ঠা-৭-১১ ।

●●●

# ঐতিহাসিক দৃষ্টিৰে গৰুছটকা গাঁও

**অৱতৰণিকা ঃ**

শৈশৱৰ ওমোলা, কৈশোৰৰ হেঁপাহ, যৌৱনৰ কৰ্ষণ আৰু কৰ্মজীৱনৰ নষ্টালজিয়া আদিৰ উৎস শুৱনি মোৰ গাঁওখন গৰুছটকা। পূবে সুবিশাল খেতিপথাৰ, পশ্চিমে চিতলমাৰী বনগাঁও টিপলাই, উত্তৰে প্ৰকাণ্ড নাইতাৰা বিল আৰু দক্ষিণে গিৰিশৃঙ্খল গণেশ-চিতলমাৰী পাহাৰ আদিৰে আবৃত গাঁওখন কেতিয়াৰ পৰা হিন্দু-মুছলমানৰ বসতিপূৰ্ণ হৈছে তাৰ সঠিক লিখিত দিন-তাৰিখৰ দলিল পোৱা নাযায়। গাঁওখনৰ এফালে সুউচ্চ পাহাৰৰ বিপৰীতে আনদিশে প্ৰকাণ্ড প্ৰাকৃতিক জলাশয় আৰু বাকী দুই দিশত মেঘালয় ৰাজ্যৰ পৰা প্ৰবাহিত হৈ অহা জুৰিয়া আৰু কৰনৈ জুৰি দুটিয়ে গঢ় দিছে গৰুছটকাবাসীৰ জীৱন, জীৱিকা, আশা, ভৰসা, সভ্যতা জীয়াই ৰখাৰ সংগ্ৰাম। জুৰি দুটি চৌতাৰা নাইতাৰা জলাশয়ত বিলীন হৈ পুনৰ বোৱঁতী লয়লাসে বহিৰ্গমন কৰি যুগে-যুগে পানী বোৱাই গৰুছটকাবাসীৰ যেন জীৱন ছন্দ উজ্জীৱিত কৰি ৰাখি আছে। সংকুচিত হৈ পৰা বৰ্তমানৰ গোৱালপাৰা জিলাৰ ৰংজুলি ৰাজহচক্ৰৰ উত্তৰ প্ৰান্তৰ কামৰূপ জিলাৰ সীমামুৰীয়া বিমল প্ৰাকৃতিক স্বাচ্ছন্দৰে ভৰা গাঁওখন কেবাটাও ক্ষুদ্ৰ চুবুৰীৰ সমষ্টি। প্ৰায় ছশ গৃহস্থীৰে প্ৰায় চাৰি হাজাৰ জনবসতিপূৰ্ণ গাঁওখনৰ চুবুৰীসমূহ হ'ল — দীঘপাৰা, পাছৰপাৰা, হিন্দুপাৰা, উলুবাৰী, পানবড়ী, কঠোৰবড়ী, বাগানপাৰা, বাতাপাৰা, তেতেলীবড়ী, বাৰশিমলী আদি। এই চুবুৰীৰে সম্প্ৰতি আঠখন প্ৰাথমিক বিদ্যালয়, তিনিখন মজলীয়া বিদ্যালয় আৰু এখন উচ্চ মাধ্যমিক বিদ্যালয়েৰে সমৃদ্ধ গাঁওখন সৌ-সিদিনালৈ আওহতীয়া

বুলি বিবেচিত হৈ আছিল। ক্ৰমে আলি-পদুলিৰ উন্নয়ন, বিদ্যুৎ সংযোগ, শিক্ষাৰ প্ৰসাৰ, স্বাস্থ্যসেৱাৰ ন্যুনতম সুবিধা আদিৰ পয়োভৰে গাঁওখনলৈ বেচ পৰিবৰ্তন আনি আছে যদিও কেবাটাও চুবুৰী এতিয়াও বিদ্যুৎ সংযোগ আৰু বিশুদ্ধ খোৱাপানীৰ পৰা বঞ্চিত হৈ থকা পৰিলক্ষিত হৈছে। ক্ৰমবৰ্ধমান জনসংখ্যাৰ পৰিপ্ৰেক্ষিতত গাঁওখনত বাসোপযোগী জমিৰ পৰিমাণ কমি আহিছে আৰু জনবসতিৰ ঘনত্ব ক্ৰমে বাঢ়ি আহিব ধৰিছে। ফলশ্ৰুতিত প্ৰাকৃতিক সম্পদৰাজিৰ ওপৰত হেঁচা ক্ৰমে বৃদ্ধি হৈ অহা পৰিলক্ষিত হৈছে। কোনো আইনী ব্যৱস্থাৰ ওপৰত নিৰ্ভৰ নকৰি সময় থাকোঁতে গাঁওবাসী নিজেই প্ৰাকৃতিক ভাৰসাম্য ৰক্ষাৰ বাবে সজাগ হোৱা জৰুৰী হৈ পৰিছে। জনসাধাৰণৰ উন্নতিৰ বাবে পৰিবৰ্তন যিহেতু অপৰিহাৰ্য সেইবাবে ইয়াক আকোঁৱালী লৈও ভৱিষ্যতৰ বাবে চিন্তা-ভাৱনা কৰাৰ নিশ্চয় থল আছে। লিখিত ঐতিহাসিক দলিল পোৱা নগ'লেও পুৰুষাণুক্ৰমিক চলি অহা কিম্বদন্তী, ওচৰ-পাজৰ ঠাইসমূহৰ বিভিন্ন তথ্য, বিভিন্ন গ্ৰন্থ, টোকা আদিৰ আলমত "গৰুছটকা গাঁও"ৰ এটি ঐতিহাসিক প্ৰেক্ষাপট দাঙি ধৰা যুগুত হ'ব। মনকৰিবলগীয়া যে লিখিত তথ্য নাথাকিলেও ৰাজহ গাঁও একোখনৰ ঐতিহাসিক পৰিক্ৰমাত বসতিস্থাপন হোৱা ঠাই একোখন ৰজাদিনীয়া, সামন্তীয় অথবা জমিদাৰকালীন তথা আধুনিক ৰাষ্ট্ৰ ব্যৱস্থা আদি সকলো স্তৰ গৰকি অহাৰ অলিখিত ইতিহাস থাকে।

**নাম সম্পৰ্কীয় মতবাদ ঃ**

সংক্ষিপ্ত বিৱৰণেৰে ওপৰত দাঙি ধৰা গাঁওখনৰ নামটো বহুতৰ বাবে আচহুৱা যেন লাগে যদিও নামটোৰ অন্তৰালত গভীৰ তাৎপৰ্য আৰু ইতিহাস লুকাই আছে। গাঁওখন বসতি স্থাপন হোৱা সময়ৰ সঠিক ধাৰণা কৰা নাযায় যদিও ইয়াত বসতি কৰা গাঁঞাসকল অসমৰ বহুতো ঐতিহাসিক প্ৰেক্ষাপটৰ সৈতে জড়িত হৈ আছে। ঐতিহাসিক অনেক ঘটনাৰ পৰা অনেক কথাৰ সংগতি থকাৰ পৰা কিছুমান যুক্তি দাঙি ধৰিব পাৰি। এই গাঁওখনৰ নামৰ উৎপত্তি সম্পৰ্কে কেবাটাও মতবাদ প্ৰচলিত হোৱা দেখা যায়। গৰু আৰু ছটকা (চট্‌কা) দুটা শব্দৰ সংযোজনেৰে গাঁওখনৰ নাম। গৰুৰে গোধন আৰু চটকাৰে দ্বৈত অৰ্থ বহন কৰাৰ পৰিপ্ৰেক্ষিতত কেবাধৰণৰ ব্যাখ্যা দিয়া দেখা যায়। আটাইবোৰ

অৰ্থ কোচ-ৰাজবংশী ভাষা বা গোৱালপৰীয়া ভাষাৰ পৰা অহা বুলি বিশ্বাস কৰা হয়। প্ৰথম মতবাদ মতে চট্‌কা শব্দৰ অৰ্থ "চক খাই উঠা"। অটব্য হাবি, ওখৰা-মোখৰা অবয়ব আৰু পিতনি-বিলনিৰ সমাহাৰ হোৱা হেতু তাহানি ঠাইখনত মহ, ডাঁহ, বাঘ, ভালুক আদিৰ প্ৰকোপত সততে গোধন চক খোৱা অৱস্থাত অতিবাহিত কৰিবলগীয়া হৈছিল। সেই সূত্ৰে ঠাইখনৰ নাম গৰুচট্‌কা হৈ পৰে। আন এচামৰ মতে চট্‌কা শব্দৰ অৰ্থ "গছকা" বা ভৰিৰে খচা। ঠাইখন যিহেতু বনানী আৰু জলাশয়ৰ সমাহাৰ সেইবাবে গোধনৰ খাদ্য আৰু নিৰাপদ অৱস্থানৰ বাবে নিৰ্দিষ্ট ঠাই এডোখৰত পাল সহ "উৰা দিয়া" অৰ্থাৎ এৰাল দিয়া হৈছিল। গণেশ-চিতলমাৰী পাহাৰৰ দাঁতিকাষৰীয়া এটা বিস্তৃত অঞ্চলত এইদৰে গৰু উৰা দিয়াৰ পৰিপ্ৰেক্ষিতত গাঁওখনৰ এটা অঞ্চলক গৰু উৰা বুলি আজিও জনা যায়। গৰু উৰা দিয়া ঠাইখন কালক্ৰমত গৰুৰ গছক পাই সমান আৰু মুকলি হৈ পৰে বাবে বৃহৎ অঞ্চলটিৰ নাম গৰুছটকা হৈ পৰে। চট্‌কাৰ গছকা অৰ্থৰ সপক্ষে মুখৰোচক ভাবে এচামে ক'ব খোজে যে পৌৰাণিক কালৰ বালকৃষ্ণই গৰু চৰাই থাকোঁতে গৰুই এই ঠাইতে কৃষ্ণক চট্‌কি অৰ্থাৎ গছকি ধৰিছিল। সেই ঘটনাৰ পৰিণতিতে গাঁওখনৰ নাম গৰুছটকা হৈ পৰে। ড° শৰৎ ফুকনৰ গৱেষণা গ্ৰন্থত ঠাইৰ নামৰ উৎপত্তি সম্পৰ্কে যিবোৰ প্ৰধান কাৰণ উল্লেখ কৰিছে তাৰ ভিতৰত বিশেষ ঐতিহাসিক পৰিঘটনা, বৈশিষ্ট্য, তাৎপৰ্য আদি বহন কৰা কথাৰ পৰাই একোখন ঠাইৰ নাম উৎপত্তি হয় বুলি প্ৰতিপন্ন কৰিছে। সেই সূত্ৰে গৰুছটকা তাহানি প্ৰতিঘৰৰ গোহালি গৰুৱে ঠাহ খাই থকা আৰু গৰুক কেন্দ্ৰ কৰি সৃষ্টি হোৱা ঘটনাক কেন্দ্ৰ কৰি এই নাম হোৱা বুলি কোৱাৰ যথেষ্ট যুক্তিযুক্ততা আছে। তদুপৰি গৱেষক গৰাকীৰ মতে ঠাই একোখনৰ নামৰ সৈতে যথেষ্ট পৰিমানে পৰম্পৰা, বিশ্বাস, সংস্কৃতি জড়িত হৈ থাকে। সেইবাবে ইতিহাসে বহন কৰি থকা বিশ্বাস, পৰম্পৰা আৰু ঐতিহাসিক পৰিঘটনাৰ দৃষ্টিৰে ঘটনাৱাজিৰ সাদৃশ্যযুক্ত দিশসমূহ আলোকপাতেৰে বিভিন্ন দিশ চালি-জাৰি চালে প্ৰকৃত তথ্য উদঘাটন হ'ব বুলি বিশ্বাস কৰিব পাৰি।

**দেশৰ সামগ্ৰিক ঐতিহাসিক প্ৰেক্ষাপট আৰু গৰুছটকা ঃ**

গাঁওখনত বসতি স্থাপন হোৱা সময়ৰ সঠিক ধাৰণা কৰা কঠিন যদিও

সমসাময়িক বিভিন্ন ঘটনাৰাজিৰ পৰা ঠাৱৰ কৰিব পাৰি যে ইয়াত ১৫শ শতিকাৰ পূৰ্বৰ পৰাই বসতি আৰম্ভ হৈছিল। ১৪৯৮ খৃষ্টাব্দত গৌড়ৰ নবাব হোচ্ছেন ছাহৰ হাতত কোচসকলৰ কমতা ৰাজ্য ধ্বংস হয় যদিও চিকনা গাঁৱৰ হাৰিয়া মণ্ডলৰ পুত্ৰ বিশু অৰ্থাৎ বিশ্ব সিংহই কোচবিহাৰত ৰাজধানী পাতি পুনৰ ৰাজ্য প্ৰতিষ্ঠা কৰে। গৰুছটকা গাঁওখনো ইতিহাসে ঢুকি পোৱা দিনৰ পৰা কামৰূপ তথা কোচ ৰাজ্যৰ অধীন। বিশ্ব সিংহ উদাৰ প্ৰকৃতিৰ ৰজা আছিল আৰু নিজ ৰাজ্য আৰু প্ৰজাৰ হিতৰ বাবে উপযুক্ত ব্ৰাহ্মণ-সজ্জন আনকি মুছলমান যোদ্ধা-কৰ্মীক উত্তৰ ভাৰতৰ পৰা আনি বিভিন্ন কামত মকৰল কৰিছিল। কিম্বদন্তী মতে এই গাঁৱক কেন্দ্ৰ কৰি বৃহত্তৰ অঞ্চলৰ ৰাজহ সংগ্ৰহৰ বাবে বিশু ৰজাই এজন দক্ষ মুছলমান কৰ সংগ্ৰহকাৰী ব্যক্তিক মকৰল কৰিছিল। লোকজনৰ নাম আছিল "আৰা খাঁ"। গণেশ-চিতলমাৰী পাহাৰৰ নামনিত গড় খাৱৈৰে আবৃত এখন ছাউনী ৰজাই নিৰ্মাণ কৰি দিছিল। সেই ছাউনী থকা ঠাইখনক স্থানীয় লোকে আজিও আৰা খাঁ বুলি জানে। ছাউনীৰ চিন-চাব বৰ্তমান দেখা নাযায় যদিও প্ৰায় ১.৫ কিঃমিঃ দূৰত্বত বহল আৰু দ' সদৃশ আকৃতিৰ গড় খাৱৈ দুটাৰ কিছু অংশ এতিয়াও দেখিবলৈ পোৱা যায়। গড় দুটা গণেশ-চিতলমাৰী পাহাৰৰ পাৰ চৌতাৰা-নাইতাৰা বিললৈকে প্ৰায় ১.৫ কিঃমিঃ দৈৰ্ঘ্য আছিল আৰু ইহঁতৰ প্ৰস্থ আছিল প্ৰায় ৪০ ফুটমান। আন এক প্ৰবাদ মতে গোৱালপাৰা জিলাখনক বৃটিছ শাসনৰ অধীনত অনাৰ পিছত বনজ সম্পদৰ আঁকৰ চিতলমাৰী গণেশ পাহাৰক চৌতাৰা নাইতাৰা বিল আৰু বৃহৎ জলপথ জলজলিৰ সৈতে সংযোগৰ বাবে গড় দুটা নিৰ্মাণ কৰা হৈছিল। পাহাৰৰ সম্পদ গড় খাৱৈৰে কঢ়িয়াই চৌতাৰা নাইতাৰাৰ মাজেৰে ক্ৰমে জলজলি আৰু ব্ৰহ্মপুত্ৰ নদীৰে ৰপ্তানী কৰাৰ বাবে বৃটিছে খন্দাইছিল। সেই বাবে এই গড় দুটা বৃটিছ আগমনৰ পূৰ্বৰ বুলি অনুমান কৰা হয়। ঐতিহাসিক আৰা খাঁৰ প্ৰসঙ্গৰ সৈতে যুক্ত কৰিলে কিছুমান কথাৰ সাদৃশ্যৰ বাবে এচামে ক'ব খোজে যে গড় দুটা বিশু ৰজাই খন্দাইছিল। আৰা খাঁই ৰজাৰ নিৰ্দেশত কিছুমান প্ৰজাহিতকৰ কামো কৰিছিল। আৰা খাঁৰ নিজৰ ছাউনীৰ নিৰাপত্তা বেষ্টনী সৃষ্টি কৰিবলৈ গড় দুটা খন্দাৰ উপৰিও প্ৰজাৰ সা-সম্পত্তি বিশেষকৈ পশুধন ৰক্ষাৰ বাবে বিশেষ কাম কৰিছিল। সেই সূত্ৰে তেওঁৰ

ছাউনীৰ বৰ্তমানৰ বাগানপাৰাৰ গাতে লাগি থকা বৃহৎ পিতনি-সংলগ্ন এডাখৰ ওখ ঠাইত বিশেষ বেৰৰ ব্যৱস্থা কৰিছিল। কিছুদিন আগলৈ উক্ত বেৰৰ ভগ্নাৱশে দেখিবলৈ পোৱা গৈছিল যদিও এতিয়াৰ কথা অৱগত নহয়। তাহানিৰ হাবিৰে পৰিপূৰ্ণ উক্ত ঠাইখনিৰে পাহাৰ আৰু দাতিকাষৰীয়া অটব্য অৰণ্যৰ পৰা পিতানিটোলৈ পানী পিবলৈ সততে বাঘ নামি আহিছিল। সেই সময়ত বাঘৰ ত্ৰাসৰ পৰা মানুহ আৰু পশুধন ৰক্ষা কৰাৰ বাবে অগ্নেয়াস্ত্ৰৰ ব্যৱহাৰ নাছিল। মহাৰাজ বিশ্বসিংহৰ ধী-সম্পন্ন মস্তিস্কই সন্ত্ৰাস সৃষ্টি কৰিব পৰা বাঘক কৌশলেৰে নিয়ন্ত্ৰণত ৰাখিবলৈ অথচ পানী খোৱাৰ সুবিধা দিবলৈ সেই টিলাটোৰ সংলগ্ন পানী, ঘাট আৰু পাহাৰৰ সংযোগেৰে বেৰ দিবলৈ নিৰ্দেশ দিছিল। পৰিণতিত ঠাইখনৰ নাম "বাঘঘিৰা" অৰ্থাৎ বাঘৰ বেৰ হৈ পৰে। আজিও গৰুছটকাৰ এডোখৰ ঠাইক বাঘঘিৰা বুলি জনা যায়। অৰণ্যৰ পৰা পানী খাবলৈ অহা বাঘে যাতে মানুহৰ বসতি আৰু পশুধন ঢুকি নাপায় অথচ পানী খোৱাও বাৰণ নহয় তাৰ বাবে বিশেষ কৌশলেৰে বেৰ দিয়া ব্যৱস্থাৰ পৰাই ঠাইখনৰ নাম "বাঘঘিৰা" হ'ল বুলি বিশ্বাস কৰা হয়।

পূৰ্বে উল্লেখ কৰি অহা "গৰু উৰা"ৰ প্ৰসঙ্গত এই তথ্যৰ সৈতে সামঞ্জস্য দেখা যায়। বাঘে হানি নকৰাকৈ নিৰাপদে পানী খোৱাৰ বিপৰীতে গোধনক নিৰাপত্তা প্ৰদানৰ বাবেই হয়তো আৰা খাঁৰ তৎপৰতাত "গৰু উৰা" নিৰ্দিষ্ট কৰা হৈছিল। গৰুছটকা গাঁওখনৰ নামৰ উৎপত্তিৰ কাহিনীসমূহৰ লগতে গঁঞাসৱৰ মাজত এতিয়াও প্ৰচলন হৈ থকা আৰা খাঁ, গৰু উৰা, বাঘঘিৰা আদি শব্দবোৰে ওপৰোক্ত তথ্যৰ সত্যতা প্ৰমাণ কৰে।

**কোচ ৰাজ্য বিস্তাৰ, মহা পুৰুষীয়াধৰ্ম আৰু গৰুছটকা ঃ**

বিশ্ব সিংহৰ ১৮ গৰাকী উত্তৰসূৰীৰ মাজৰ নৰনাৰায়ণ (মল্লদেৱ) আৰু চিলাৰায়ে (শুক্লধ্বজ) ৰাজ্য বিস্তাৰ আৰু প্ৰজাৰ আধ্যাত্মিক বিশ্বাসক সন্মান জনাইছিল। সেইবাবে সমাজত প্ৰচলন হৈ থকা উপাসনা থলী সমূহৰ উৎকৰ্ষ সাধন আৰু ৰক্ষণা-বেক্ষণৰ পৃষ্ঠপোষকতা তেওঁলোকৰ পৰাই আৰম্ভ হয়। পৰিণতিত বিভিন্ন মঠ, মন্দিৰ, থান, দৰগাহ আদিৰ বাবে দেবোত্তৰ জমি দিয়াৰ প্ৰচলন হ'ব ধৰিছিল। এই পৰম্পৰা পৰৱৰ্তী সময়ৰ জমিদাৰ সকলেও অব্যাহত

ৰাখিছিল। গৰুছটকাৰ কালীথান, গাঁওখনৰ গাতে লাগি থকা গণেশ মন্দিৰ, চিতলমাৰী কালীথান, নাতিদূৰৰ দুধকোঁৱৰ থান (সত্যপীৰৰ থান), শিৱথান আদিৰ প্ৰভাৱত গাঁওবাসীৰ সংস্কৃতি, আধ্যাত্মিক পৰম্পৰা আদি সাঙোৰ খাই পৰিছিল। এই ধাৰাবাহিকতাত কামৰূপৰ বিক্ৰমাদিত্য বুলি অভিহিত মহাৰাজ নৰনাৰয়ণৰ প্ৰভাৱ নুই কৰিব নোৱাৰি। সমান্তৰালভাৱে নৰনাৰায়ণৰ ৰাজত্ব কালতে শ্ৰীমন্ত শঙ্কৰদেৱৰ প্ৰচাৰিত বৈষ্ণৱ ধৰ্ম "মহাপুৰুষীয়া" ধৰ্মৰো উৎকৰ্ষ হ'ব ধৰিছিল। মহাপুৰুষীয়া ধৰ্মৰ প্ৰভাৱত অসমৰ সকলো জনগোষ্ঠীৰ এক অনন্য মিলন সেতু গঢ়ি উঠিছিল। বিভিন্ন কাৰণত পূৰ্বেই অনেক কোচ ৰাজবংশী লোক ইছলাম ধৰ্মত দিক্ষিত হৈছিল। উল্লেখ আছে যে এই ধাৰাবাহিকতা দ্বাদশ শতিকাৰ আলিমেচ বুলি এজন প্ৰশাসকৰ ধৰ্মান্তৰৰ পৰা আৰম্ভ হৈছিল। তৎসত্বেও শ্ৰীমন্ত শঙ্কৰদেৱৰ প্ৰৱৰ্ত্তিত ধৰ্মযোগে এক ঐক্য সুত্ৰত হিন্দু-মুছলমান উভয়ে নিঃসংকোচে সহাৱস্থান কৰাৰ যি প্ৰবাহ সমগ্ৰ অসমত চলিছিল, গৰুছটকাবাসীও তাৰ ব্যতিক্ৰম নাছিল। আজিও সেই ঐক্য-সংহতিৰ ধাৰা গৰুছটকা গাঁৱৰ সহজ-সৰল লোকসকলৰ মাজত পৰিস্ফুট।

এই অঞ্চলৰ মুছলমানসকলক দেশী মুছলমান বুলি অভিহিত কৰা হয়। এইসকলৰ পূৰ্বজসকলৰ আধ্যাত্মিক চিন্তা-চেতনা, আচাৰ-আচৰণ জড়িত হৈ আছিল নাতিদূৰৰ পাটপাৰা গাঁৱৰ পাগলা পীৰৰ দৰগাহ, আমবাৰীৰ দুধকোঁৱৰ (সত্যপীৰৰ থান), ডাকাইদলৰ দৰগাহ আদিৰ সৈতে। ড° মহেশ্বৰ নেওগৰ 'পৱিত্ৰ অসম' গ্ৰন্থত উল্লেখ কৰা মতে ডোমন শ্বা আৰু বক্স আলী শ্বা ফকিৰ দুজনৰ পূৰ্ব পুৰুষসকল অঞ্চলস্থ মুছলমানসকলৰ সেৱাত ব্ৰতী আছিল। কালক্ৰমত ভীষণ কালাজ্বৰৰ প্ৰভাৱত পাগলাপীৰৰ সৈতে মুছলমানসকল অত-ত'ত সিঁচৰিত হৈ যায়। এইসকলৰ কিছুঅংশ ডাকাইদলৰ ফালে যায় আৰু হয়তো কিছু অংশ বৰ্তমানৰ গৰুছটকালৈ প্ৰব্ৰজন কৰে। পূৰ্বৰ এটা পৰম্পৰা আছিল যে বিভিন্ন কাৰণত জনসাধাৰণ আন ঠাইলৈ প্ৰব্ৰজন কৰিলে ওচৰ চুবুৰীয়া হিন্দু-মুছলমান একেলগে নতুন ঠাইলৈ প্ৰব্ৰজন কৰিছিল। ১৭৯৫ খ্ৰষ্টাব্দৰ পৰা ১৮১০ খৃষ্টাব্দলৈ মানৰ আক্ৰমণৰ ফলত গৰুছটকা গাঁৱৰ কিছু পূৰ্বজ হিন্দু-মুছলমান উভয়ে ব্ৰহ্মপুত্ৰৰ উত্তৰ পাৰৰ পৰা প্ৰব্ৰজিত হৈ আহে বুলি প্ৰবাদ

আছে। উল্লেখযোগ্য যে পৰবৰ্তী সময়ত গোৱালপাৰা জিলাৰ লক্ষীপুৰ ৰাজহ চক্ৰৰ তাহানিৰ মেচপাৰা জমিদাৰৰ ৰায়ত কিছুসংখ্যক ভগনীয়া হৈ গাঁওখনত থিতাপি লয়। এইসকল নদী ভগনীয়াক সংস্থাপনৰ বাবে তদানিন্তন বিজনী, গৌৰীপুৰ আৰু মেচপাৰা জমিদাৰসকলে অৰিহণা যোগায়।

কিম্বদন্তী আৰু ঐতিহাসিক সমলৰ সমন্বয়েৰে ঠন ধৰি যুগে-যুগে একেবোৰ সম্পদ ৰাজিৰ ওপৰত জীৱনৰ সন্ধান কৰা শান্তি প্ৰিয় গৰুছটকাবাসী কঠোৰ পৰিশ্ৰমী। ঐক্য সংহতিৰ জয়গান গাঁওবাসীৰ অনন্য বৈশিষ্ট্য। ১৮ শ শতিকাৰ শেষ ভাগত গৰুছটকা গাঁৱৰ “লালঘাট” নামে ঠাইত দামোদৰ দেৱৰ বংশৰ বসুদেৱ গোস্বামীদেৱে চুবুৰীয়া কঠালমুৰি সত্ৰ স্থাপনৰ বাবে আহোঁতে পদাৰ্পন কৰিছিল। প্ৰবাদ আছে যে গৰুছটকাবাসীয়ে গোস্বামীদেৱক উক্ত নৌকা ঘাটত আথে বেথে আদৰিছিল আৰু কঠালমুৰিলৈ পদব্ৰজে তেখেতৰ সৈতে সংগ দিছিল। উল্লেখযোগ্য যে উক্ত নৌকাৰে গোস্বামীদেৱে দুনাই ওভতনি যাত্ৰা কৰা নাছিল। ভক্তিপ্ৰাণ গৰুছটকাবাসীয়ে উক্ত নৌকাটোক পৱিত্ৰ জ্ঞান কৰি কোনো দিনে স্পৰ্শ কৰা নাছিল। উক্ত লালঘাটতে শতিকাজুৰি নৌকাখন অক্ষত অৱস্থাত আছিল বুলি পুৰ্বজৰ পৰা শুনা গৈছিল। সম্প্ৰতি উক্ত নৌকাৰ কোনো চিন মোকাম নাই। সেইদৰে পৰবৰ্তী সময়ৰ স্বাধীনতা আন্দোলন, অসম আন্দোলন আদি দেশৰ ভাবানুবেগৰ সৈতে গৰুছটকাৰ হিন্দু-মুছলমান উভয়ে একাত্ম হৈ থকা পৰিলক্ষিত হৈছে। আবহমান কালৰ পৰা চলি অহা গৰুছটকাবাসীৰ জনস্ৰোত আন ঠাইৰ সমানে আগুৱাই যোৱাৰ বাবে শিক্ষা, স্বাস্থ্য, কৃষি, শিল্পকাৰ্য, সাহিত্য, সংস্কৃতি ঐক্য ভাবে আগুৱাই নিয়াৰ বিকল্প নাই।

•••